সপ্তম ভাগ

[প্ৰথম অনুসূচীৰ খ ভাগৰ ৰাজ্যসমূহ]

সংবিধান (সপ্তম সংশোধন) অধিনিয়ম, ১৯৫৬ৰ ২৯ ধাৰা আৰু অনুসূচীৰ দ্বাৰা নিৰসিত।

অষ্টম ভাগ

[১][সংঘ ৰাজ্যক্ষেত্ৰ সমূহ]

সংঘ ৰাজ্যক্ষেত্ৰ সমূহৰ প্ৰশাসন।

[২][২৩৯। (১) সংসদৰ দ্বাৰা কৰা বিধিৰ দ্বাৰা অন্যথা উপবন্ধিত ব্যৱস্থাৰ ব্যতিৰেকে, প্ৰত্যেকখন সংঘ ৰাজ্যক্ষেত্ৰ ৰাষ্ট্ৰপতিৰ দ্বাৰা, তেওঁ যি পৰ্য্যন্ত উচিত বুলি ভাবে সেই পৰ্য্যন্ত তেওঁৰ দ্বাৰা আৰু তেওঁ বিনির্দ্দিষ্ট কৰি দিয়া পদবীৰে নিযুক্ত কোনো প্ৰশাসকৰ যোগেদি প্ৰশাসিত হ'ব।

(২) ষষ্ঠ ভাগত যিকোনো কথা থকা সত্ত্বেও ৰাষ্ট্ৰপতিয়ে কোনো ৰাজ্যৰ ৰাজ্যপালক পাৰ্শ্ব বৰ্ত্তী কোনো সংঘ ৰাজ্যক্ষেত্ৰৰ প্ৰশাসক নিযুক্ত কৰিব পাৰে আৰু যেতিয়ানেকি কোনো ৰাজ্যপাল এনেদৰে নিযুক্ত হয়, তেতিয়া তেওঁ এনে প্ৰশাসক ৰূপে তেওঁৰ কৃত্যসমূহ তেওঁৰ মন্ত্ৰী-পৰিষদৰ পৰা স্বতন্ত্ৰ ভাবে পালন কৰিব।

কোনো কোনো সংঘ ৰাজ্যক্ষেত্ৰৰ বাবে স্থানীয় বিধান মণ্ডলী বা মন্ত্ৰী-পৰিষদ বা দুয়োটাৰে সৃষ্টি।

[৩][২৩৯ ক। (১) সংসদে, বিধিৰ দ্বাৰা [৪][* * *] [৫][* * *] [৬][* * *] [৭][* * *] [৮][পণ্ডিচেৰী, [৯] * * * [১০] সংঘ ৰাজ্যক্ষেত্ৰৰ বাবে] ----

(ক) সংঘ ৰাজ্যক্ষেত্ৰ খনৰ বিধান মণ্ডলৰূপে কৃত্য কৰিবলৈ লাগিলে নিৰ্বাচিতই হওক অথবা ভাগতঃ মনোনীত আৰু ভাগতঃ নিৰ্বাচিতই হওক এক নিকায়, অথবা

(খ) এক মন্ত্ৰী-পৰিষদ,

অথবা দুয়োটাকে প্ৰত্যেক ক্ষেত্ৰতে বিধিত যথা বিনির্দ্দিষ্ট কৰা অনুসৰি গাঠনি, ক্ষমতা আৰু কৃত্য সমূহৰ সৈতে সৃষ্টি কৰিব পাৰে।

(২) খণ্ড (১) ত নির্দ্দেশিত কৰা এনে কোনো বিধিক অনুচ্ছেদ ৩৬৮ৰ প্ৰয়োজনৰ বাবে এই সংবিধানৰ কোনো সংশোধন বুলি গণ্য কৰা নহ'ব — লাগিলে তাত এনে কোনো উপবন্ধৰ অন্তর্বিষ্টই থাওক যিনেকি এই সংবিধান সংশোধন কৰে বা যাৰ নেকি এই সংবিধান সংশোধন কৰাৰ প্ৰভাব থাকে।]

১। সংবিধান (সপ্তম সংশোধন) অধিনিয়ম, ১৯৫৬ৰ ১৭ ধাৰাৰ দ্বাৰা মূল শীৰ্ষক "প্ৰথম অনুসূচীৰ গ ভাগৰ ৰাজ্য সমূহ"ৰ পৰিবৰ্ত্তে প্ৰতিষ্ঠাপিত।

২। উক্ত অধিনিয়মৰ উক্ত ধাৰাৰ দ্বাৰা মূল অনুচ্ছেদ ২৩৯ আৰু ২৪০ৰ পৰিৱৰ্ত্তে প্ৰতিষ্ঠাপিত।

৩। সংবিধান (চতুৰ্দ্দশ সংশোধন) অধিনিয়ম, ১৯৬২ৰ ৪ ধাৰাৰ দ্বাৰা অন্তঃস্থাপিত।

৪। 'হিমাচল প্ৰদেশ' শব্দ ১৯৭০ চনৰ ৫৩ নং হিমাচল প্ৰদেশ অধিনিয়মৰ ধাৰা ৪৬(খ) ৰ দ্বাৰা লোপ কৰা হৈছে (২৫-১-৭১ তাংৰ পৰা)।

৫। 'মণিপুৰ, ত্ৰিপুৰা' শব্দসমূহৰ উত্তৰ-পূৰ্বাঞ্চল (পুনৰ্গঠন) অধিনিয়ম, ১৯৭১ৰ ধাৰা ৭১ (খ)ৰ দ্বাৰা লোপ কৰা হৈছে (২১-১-৭২ তাংৰ পৰা)।

৬। গোৱা, দমন আৰু দিউ পুনৰ্গঠন অধিনিয়ম, ১৯৮৭ (১৯৮৭ৰ ১৮)ৰ ধাৰা ৬৩ৰ দ্বাৰা (৩০-৫-১৯৮৭ ৰ পৰা) "গোৱা, দমন আৰু দিউ আৰু পণ্ডিচেৰী সংঘ ৰাজ্যক্ষেত্ৰ সমূহৰ কোনোখনৰ বাবে" শব্দ সমূহৰ বাবে প্ৰতিষ্ঠাপিত।

৭। সংবিধান (সপ্তবিংশ সংশোধন) অধিনিয়ম, ১৯৭১ৰ ধাৰা ২ৰ দ্বাৰা "গোৱা, দমন, দিউ আৰু পণ্ডিচেৰী'ৰ পৰিৱৰ্ত্তে প্ৰতিষ্ঠাপিত (১৫-২-৭২ তাংৰ পৰা)।

৮। সংবিধান (সপ্তত্ৰিংশ সংশোধন) অধিনিয়ম, ১৯৭৫ৰ ধাৰা ২ৰ দ্বাৰা 'পণ্ডিচেৰী আৰু মিজোৰাম'ৰ পৰিৱৰ্ত্তে প্ৰতিষ্ঠাপিত।

৯। মিজোৰাম ৰাজ্য অধিনিয়ম, ১৯৮৬ (১৯৮৬ৰ ৩৪)ৰ ধাৰা ৩৯ৰ দ্বাৰা (২০-২-১৯৮৭ৰ পৰা) মিজোৰাম ৰাজ্য লোপ কৰা হৈছে।

১০। অৰুণাচল প্ৰদেশ ৰাজ্য অধিনিয়ম, ১৯৮৬ (১৯৮৬ ৰ ৬৯)ৰ ধাৰা ৪২ৰ দ্বাৰা (২০-২-১৯৮৭ৰ পৰা) "পণ্ডিচেৰী আৰু অৰুণাচল প্ৰদেশ" শব্দ সমূহৰ বাবে প্ৰতিষ্ঠাপিত।

অষ্টম ভাগ-সংঘ ৰাজ্যক্ষেত্ৰ সমূহ - অনুচ্ছেদ ২৩৯ কক

দিল্লীৰ সম্পৰ্কত বিশেষ উপবন্ধসমূহ।

[১] [২৩৯ কক। (১) সংবিধান (ঊনসপ্ততিতম সংশোধন) অধিনিয়ম, ১৯৯১ৰ প্ৰাৰম্ভৰ তাৰিখৰ পৰা দিল্লীৰ সংঘ ৰাজ্যক্ষেত্ৰ, দিল্লীৰ ৰাষ্ট্ৰীয় ৰাজধানী ৰাজ্যক্ষেত্ৰ বুলি অভিহিত হ'ব (ইয়াৰ পিচত এই ভাগত ৰাষ্ট্ৰীয় ৰাজধানী ৰাজ্যক্ষেত্ৰ বুলি নিৰ্দ্দেশিত) আৰু অনুচ্ছেদ ২৩৯ৰ অধীনত নিযুক্ত ইয়াৰ প্ৰশাসকক উপৰাজ্যপাল হিচাবে পদাভিহিত কৰা হ'ব।

(২) (ক) ৰাষ্ট্ৰীয় ৰাজধানী ৰাজ্যক্ষেত্ৰ খনৰ বাবে এখন বিধান সভা থাকিব আৰু এনে সভাত আসনসমূহ, ৰাষ্ট্ৰীয় ৰাজধানী ৰাজ্যক্ষেত্ৰত থকা প্ৰাদেশিক নিৰ্বাচন সমষ্টিসমূহৰ পৰা প্ৰত্যক্ষ নিৰ্বাচনৰ দ্বাৰা মনোনীত হোৱা সদস্যসকলৰ দ্বাৰা পূৰণ কৰা হ'ব।

(খ) বিধান সভাখনত আসনৰ মুঠ সংখ্যা, অনুসূচিত জাতিৰ বাবে সংৰক্ষিত আসনৰ সংখ্যা, ৰাষ্ট্ৰীয় ৰাজধানী ৰাজ্যক্ষেত্ৰখনৰ প্ৰাদেশিক নিৰ্বাচন সমষ্টিসমূহত বিভাজন (এনে বিভাজনৰ কাৰণে ভিত্তিসমূহ অন্তৰ্গত কৰি) আৰু বিধান সভাখনৰ কাৰ্য্যকৰণৰ সম্বন্ধত আন সকলো বিষয় সংসদৰ দ্বাৰা প্ৰণীত কৰা বিধিৰ দ্বাৰা বিনিয়মিত কৰা হ'ব।

(গ) অনুচ্ছেদ ৩২৪ৰ পৰা ৩২৭ আৰু অনুচ্ছেদ ৩২৯ৰ উপবন্ধসমূহ, ৰাষ্ট্ৰীয় ৰাজধানী ৰাজ্যক্ষেত্ৰ, ৰাষ্ট্ৰীয় ৰাজধানী ৰাজ্যক্ষেত্ৰৰ বিধান সভা আৰু তাৰ সদস্যসকলৰ সম্বন্ধত প্ৰয়োগ হ'ব যিদৰে সেইবোৰ কোনো ৰাজ্য, ৰাজ্যৰ বিধান সভা আৰু ইয়াৰ সদস্যসকলৰ সম্বন্ধত যথাক্ৰমে প্ৰয়োগ হয়; আৰু অনুচ্ছেদ ৩২৬ আৰু ৩২৯ত "সমুচিত বিধান মণ্ডল"লৈ কৰা কোনো নিৰ্দ্দেশক সংসদলৈ কৰা নিৰ্দ্দেশ বুলি গণ্য কৰা হ'ব।

(৩) (ক) এই সংবিধানৰ উপবন্ধসমূহ সাপেক্ষে, ৰাজ্য সূচীৰ প্ৰবিষ্টি ১,২ আৰু ১৮ আৰু সেই সূচীৰ প্ৰবিষ্টি ৬৪, ৬৫ আৰু ৬৬ যি পৰ্য্যন্ত সেইবোৰ উক্ত প্ৰবিষ্টি ১,২, আৰু ১৮ৰ সম্পৰ্কীয় হয় তাৰ ব্যতিৰেকে ৰাজ্য সূচী আৰু সমবৰ্ত্তী সূচীত সন্নিবিষ্ট যিকোনো বিষয়ৰ সম্বন্ধত, যি পৰ্য্যন্ত এনে কোনো বিষয় সংঘ ৰাজ্যক্ষেত্ৰত প্ৰযোজ্য হ ., ৰাষ্ট্ৰীয় ৰাজধানী ৰাজ্যক্ষেত্ৰখনৰ সম্পূৰ্ণ বা কোনো অংশৰ বাবে বিধি প্ৰণয়ন কৰিবলৈ বিধান সভাৰ ক্ষমতা থাকিব।

(খ) উপখণ্ড (ক)ৰ কোনো কথাই কোনো সংঘ ৰাজ্যক্ষেত্ৰ বা ইয়াৰ কোনো ভাগৰ বাবে কোনো বিষয় সম্বন্ধত বিধি প্ৰণয়ন কৰিবলৈ এই সংবিধানৰ অধীনত সংসদৰ ক্ষমতাৰ অল্পীকৰণ নকৰিব।

(গ) কোনো বিষয় সম্বন্ধত বিধান সভাৰ দ্বাৰা প্ৰণীত বিধিৰ কোনো উপবন্ধ সেই বিষয় সম্বন্ধত সংসদৰ দ্বাৰা প্ৰণীত বিধিৰ কোনো উপবন্ধৰ বিৰোধ হ'লে বিধান সভাৰ দ্বাৰা প্ৰণীত বিধিৰ পূৰ্বে বা পিচতেই পাৰিত কৰা হ'ওক, বা বিধান সভাৰ দ্বাৰা প্ৰণীত বিধি ভিন্ন, কোনো পূৰ্বৰ বিধিৰ কোনো উপবন্ধৰ যদি প্ৰতিকূল হয়, তেতিয়া উভয় ক্ষেত্ৰতে, সংসদৰ দ্বাৰা প্ৰণীত বিধি বা ক্ষেত্ৰবিশেষে এনে পূৰ্বৰ বিধি বাহাল থাকিব আৰু বিধান সভাৰ দ্বাৰা প্ৰণীত বিধি বিৰোধ পৰ্য্যন্ত বাতিল হ'ব ঃ

পৰন্তু, বিধান সভাৰ দ্বাৰা প্ৰণীত এনে কোনো বিধি যদি ৰাষ্ট্ৰপতিৰ বিবেচনাৰ কাৰণে সংৰক্ষিত কৰা হৈছে আৰু তেওঁৰ সন্মতি পাইছে, এনে বিধি ৰাষ্ট্ৰীয় ৰাজধানী ৰাজক্ষেত্ৰত বাহাল থাকিব ঃ

উপৰন্তু, এই উপখণ্ডৰ কোনো কথাই, বিধান সভাৰ দ্বাৰা এনেদৰে প্ৰণীত বিধিৰ পৰিৱৰ্দ্ধন, সংশোধন, পৰিৱৰ্ত্তন বা নিৰসন কৰা বিধি অন্তৰ্গত কৰি একেই বিষয়ৰ সম্বন্ধত কোনো সময়ত কোনো বিধি অধিনিয়মিত কৰাৰ পৰা সংসদক বাৰণ নকৰিব।

১। সংবিধান (ঊনসপ্ততিতম সংশোধন) অধিনিয়ম ১৯৯১ৰ ধাৰা ২ৰ দ্বাৰা অন্তঃস্থাপিত (১-২-১৯৯২ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

(৪) উপৰাজ্যপালক, যি পর্য্যন্ত তেওঁ কোনো বিধিৰ দ্বাৰা বা অধীনত তেওঁৰ স্ববিবেচনানুসাৰে কার্য্য কৰিবলৈ অপেক্ষিত হয় তাৰ ব্যতিৰেকে যি বিষয়ৰ সম্বন্ধত বিধান সভাৰ বিধি প্রণয়ন কৰিবলৈ ক্ষমতা থাকে, সেই বিষয় সম্পর্কত তেওঁৰ কৃত্যসমূহৰ প্রয়োগত সহায় কৰিবলৈ আৰু পৰামর্শ দিবলৈ শীর্ষত মুখ্যমন্ত্রীৰে সৈতে, বিধান সভাৰ সদস্যসকলৰ মুঠ সংখ্যাৰ অনধিক দহ শতাংশ সদস্যৰে গঠিত এখন মন্ত্রী পৰিষদ থাকিব ঃ

পৰন্তু, কোনো বিষয়ত উপৰাজ্যপাল আৰু তেওঁৰ মন্ত্রীসকলৰ মাজত মতভেদৰ ক্ষেত্রত, উপৰাজ্যপালে ইয়াক বিনিশ্চয়ৰ কাৰণে ৰাষ্ট্রপতিলৈ নির্দেশিত কৰিব আৰু ৰাষ্ট্রপতিৰ দ্বাৰা তাৰ ওপৰত দিয়া বিনিশ্চয় অনুসৰি কার্য্য কৰিব আৰু এনে বিনিশ্চয় লম্বিত থকাৰ কোনো ক্ষেত্রত য'ত বিষয়টো তেওঁৰ অভিমত অনুযায়ী এনে জৰুৰী যে আশু কার্য্যব্যৱস্থা লোৱাটো তেওঁৰ বাবে আৱশ্যকীয়, তেনে কার্য্যব্যৱস্থা লবলৈ বা বিষয়টোত তেওঁ আৱশ্যকীয় বুলি গণ্য কৰা তেনে নির্দেশ দিবলৈ উপৰাজ্যপাল ক্ষমতাযুক্ত হ'ব।

(৫) মুখ্যমন্ত্রী ৰাষ্ট্রপতিৰ দ্বাৰা নিযুক্ত হ'ব আৰু আন মন্ত্রীবর্গ মুখ্যমন্ত্রীৰ পৰামর্শ ক্রমে ৰাষ্ট্রপতিৰ দ্বাৰা নিযুক্তি হ'ব আৰু মন্ত্রীবর্গই ৰাষ্ট্রপতিৰ প্রসাদ পর্য্যন্ত পদ ধাৰণ কৰিব।

(৬) মন্ত্রী পৰিষদ বিধান সভাৰ প্রতি সামূহিকভাৱে দায়বদ্ধ হ'ব।

[১][(৭) (ক)] সংসদে, বিধিৰ দ্বাৰা পূর্ববর্ত্তী খণ্ড সমূহত অন্তর্বিষ্ট উপবন্ধ সমূহ কার্য্যকৰী কৰিবলৈ বা অনুপূৰণ কৰিবলৈ আৰু ইয়াৰ আনুষঙ্গিক বা পাৰিণামিক সকলো বিষয়ৰ বাবে উপবন্ধ কৰিব পাৰে।

[২][(খ)] অনুচ্ছেদ ৩৬৮ৰ উদ্দেশ্যৰ বাবে উপখণ্ড (ক)ত নির্দেশিত কৰা হোৱা এনে যিকোনো বিধি এই সংবিধানৰ কোনো সংশোধন বুলি গণ্য কৰা নহ'ব তৎসত্ত্বেও যে ইয়াত কোনো উপবন্ধ অন্তর্বিষ্ট আছে যি এই সংবিধান সংশোধন কৰিছে বা সংশোধন কৰাৰ প্রভাৱ আছে।]

(৮) অনুচ্ছেদ ২৩৯খৰ উপবন্ধ সমূহ, যিমানদূৰ সম্ভৱ ৰাষ্ট্রীয় ৰাজধানী ৰাজ্যক্ষেত্র, উপৰাজ্যপাল আৰু বিধান সভাৰ সম্বন্ধত প্রয়োগ হ'ব যিদৰে সেইবোৰ পণ্ডিচেৰীৰ সংঘ ৰাজ্যক্ষেত্র, ইয়াৰ প্রশাসক আৰু বিধান সভাৰ সম্বন্ধত যথাক্রমে প্রয়োগ হয়; আৰু সেই অনুচ্ছেদত "অনুচ্ছেদ ২৩৯কৰ খণ্ড (১)"ৰ প্রতি কৰা কোনো নির্দেশক, ক্ষেত্রবিশেষে, এই অনুচ্ছেদ বা অনুচ্ছেদ ২৩৯কখৰ প্রতি নির্দেশ বুলি গণ্য কৰা হ'ব।]

সাংবিধানিক যন্ত্র বিফল হোৱাৰ ক্ষেত্রত উপবন্ধ।

[৩][২৩৯ কখ] উপৰাজ্যপালৰ পৰা কোনো প্রতিবেদনৰ প্রাপ্তিত বা অন্যথা যদি ৰাষ্ট্রপতি সন্তুষ্ট হয় ---

(ক) যে এনে এক পৰিস্থিতিৰ উদ্ভৱ হৈছে য'ত ৰাষ্ট্রীয় ৰাজধানী ৰাজ্যক্ষেত্রৰ প্রশাসন অনুচ্ছেদ ২৩৯ কক বা সেই অনুচ্ছেদৰ অনুসৰণত প্রণীত কোনো বিধিৰ উপবন্ধসমূহ অনুসৰি চলাব নোৱাৰি; বা

(খ) যে ৰাষ্ট্রীয় ৰাজধানী ৰাজ্যক্ষেত্রৰ সমুচিত প্রশাসনৰ বাবে এনে কৰাতো আৱশ্যক বা সমীচীন,

ৰাষ্ট্রপতিয়ে আদেশৰ দ্বাৰা অনুচ্ছেদ ২৩৯ককৰ যিকোনো উপবন্ধ বা সেই অনুচ্ছেদৰ অনুসৰণত প্রণীত কোনো বিধিৰ সকলো বা যি কোনো উপবন্ধৰ প্রবর্ত্তন, এনে সময়ৰ বাবে আৰু এনে বিধিত বিনির্দিষ্ট কৰা এনে চর্ত্তাৱলী সাপেক্ষে স্থগিত ৰাখিব পাৰে আৰু এনে আনুষঙ্গিক আৰু পাৰিণামিক ব্যৱস্থা কৰিব পাৰে যি, অনুচ্ছেদ ২৩৯ আৰু অনুচ্ছেদ ২৩৯ ককৰ উপবন্ধসমূহ অনুসৰি ৰাষ্ট্রীয় ৰাজধানী ৰাজ্যক্ষেত্রখন প্রশাসন কৰাৰ বাবে আৱশ্যক আৰু সমীচীন বুলি তেওঁৰ প্রতীয়মান হয়।]

১। সংবিধান (সপ্ততিতম সংশোধন) অধিনিয়ম, ১৯৯২ৰ ধাৰা ৩ (i)ৰ দ্বাৰা প্রতিষ্ঠাপিত।

২। সংবিধান (সপ্ততিতম সংশোধন) অধিনিয়ম, ১৯৯২ৰ ধাৰা ৩ (ii)ৰ দ্বাৰা অন্তঃস্থাপিত।

৩। সংবিধান (ঊন সপ্ততিতম সংশোধন) অধিনিয়ম, ১৯৯১ ৰ ধাৰা ২ৰ দ্বাৰা (১-২-৯২ ৰ পৰা প্রভাৱী হোৱাকৈ) অন্তঃস্থাপিত।

বিধান মণ্ডলৰ বিৰতিৰ সময়ত অধ্যাদেশ প্ৰখ্যাপিত কৰিবলৈ প্ৰশাসকৰ ক্ষমতা।

[১][২৩৯ খ। (১) অনুচ্ছেদ ২৩৯ক ৰ খণ্ড (১) ত উল্লিখিত কোনো সংঘ ৰাজ্যক্ষেত্ৰৰ বিধান মণ্ডলৰ অধিবেশন চলি থকা সময় ব্যতিৰেকে, আন যিকোনো সময়ত যদি সেই সংঘ ৰাজ্যক্ষেত্ৰৰ প্ৰশাসক এইবুলি সন্তুষ্ট হয় যে, এনে পৰিস্থিতি হৈছে য'ত তেখেতৰ বাবে শীঘ্ৰে ব্যৱস্থা লোৱাটো আৱশ্যকীয় হৈ পৰিছে, তেতিয়া তেখেতে এনে অধ্যাদেশ প্ৰখ্যাপিত কৰিব পাৰে যি অধ্যাদেশ তেনে পৰিস্থিতিত তেখেতে অপেক্ষিত বোধ কৰে ঃ

পৰন্তু, এই মৰ্মে ৰাষ্ট্ৰপতিৰ পৰা অনুদেশ প্ৰাপ্ত নোহোৱাকৈ প্ৰশাসকে এনে কোনো অধ্যাদেশ প্ৰখ্যাপন নকৰিব ঃ

অধিকন্তু, যেতিয়া উক্ত বিধান মণ্ডল বিঘটিত হয়, অথবা অনুচ্ছেদ ২৩৯ক ৰ খণ্ড (১) ত উল্লিখিত এনে কোনো বিধিৰ অধীনত লোৱা কাৰ্য্য ব্যৱস্থাৰ ফলত উক্ত বিধান মণ্ডলৰ কৃত্য নিলম্বিত থাকে, প্ৰশাসকে এনে বিঘটনৰ বা নিলম্বনৰ কালছোৱাত কোনো অধ্যাদেশ প্ৰখ্যাপন নকৰিব।

(২) ৰাষ্ট্ৰপতিৰ অনুদেশানুসাৰে এই অনুচ্ছেদৰ অধীনত প্ৰখ্যাপিত কোনো অধ্যাদেশ, অনুচ্ছেদ ২৩৯ক ৰ খণ্ড (১) ত উল্লিখিত এনে কোনো বিধিত সেই মৰ্মে অন্তৰ্বিষ্ট উপবন্ধ সমূহ অনুপালন পূৰ্বক সম্যক ৰূপে অধিনিয়মিত সংঘ ৰাজ্য ক্ষেত্ৰৰ বিধান মণ্ডলৰ অধিনিয়ম বুলি গণ্য কৰা হ'ব, কিন্তু এনে প্ৰত্যেক অধ্যাদেশ ——

(ক) সংঘ ৰাজ্যক্ষেত্ৰৰ বিধান মণ্ডলত দাখিল কৰিব লাগিব আৰু বিধান মণ্ডল পুনৰ সমবেত হোৱাৰ ছয় সপ্তাহৰ অন্তত অথবা যদি সেই কাল অন্ত হোৱাৰ পূৰ্বে বিধান মণ্ডলৰ দ্বাৰা সেই অধ্যাদেশ অননুমোদন কৰি কোনো সংকল্প পাৰিত কৰা হয় তেনেহ'লে তেনে সংকল্প পাৰিত হ'লেই, ইয়াৰ প্ৰবৰ্ত্তন নোহোৱা হ'ব ; আৰু

(খ) ৰাষ্ট্ৰপতিৰ পৰা সেই মৰ্মে অনুদেশ প্ৰাপ্ত হোৱাৰ পিছত প্ৰশাসকৰ দ্বাৰা প্ৰত্যাহৃত হ'ব পাৰে।

১। সংবিধান (সপ্তবিংশ সংশোধন) অধিনিয়ম, ১৯৭১ ৰ ধাৰা ৩ ৰ দ্বাৰা অন্তঃস্থাপিত (৩০-১২-৭১) তাংৰ পৰা)।

(৩) যদি আৰু যি পর্য্যন্ত, এই অনুচ্ছেদৰ অধীনত প্রখ্যাপিত কোনো অধ্যাদেশত এনে কোনো উপবন্ধ কৰে যিটো নেকি অনুচ্ছেদ ২৩৯ক ৰ খণ্ড (১) ত উল্লিখিত এনে কোনো বিধিত সেই মর্মে অন্তর্বিষ্ট উপবন্ধ সমূহ অনুপালন পূর্বক কৰা হোৱা সংঘ ৰাজ্যিক্ষেত্রৰ বিধান মণ্ডলৰ কোনো অধিনিয়মত অধিনিয়মিত হ'লে বৈধ নহয় তেনেহ'লে সেই পর্য্যন্ত সেই অধ্যাদেশ বাতিল হ'ব।]

[১][* * * * *]

কোনো কোনো সংঘ ৰাজ্য ক্ষেত্রৰ বাবে বিনিয়ম প্রণয়ন কৰিবলৈ ৰাষ্ট্রপতিৰ ক্ষমতা।

২৪০। (১) ৰাষ্ট্রপতিয়ে -------

(ক) আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ ;

১। খণ্ড (৪) সংবিধান (অষ্টত্রিংশ সংশোধন) অধিনিয়ম, ১৯৭৫ৰ ধাৰা ৪ ৰ দ্বাৰা (ভূতলক্ষী প্রভাৱেৰে) অন্তঃস্থাপিত কৰা হেছিল, কিন্তু সংবিধান (চতুঃচত্বাৰিংশ সংশোধন) অধিনিয়ম, ১৯৭৫ ৰ ধাৰা ৩২ ৰ দ্বাৰা লোপ কৰা হ'ল। (২০-৬-৭৯ তাংৰ পৰা)।

অষ্টম ভাগ-সংঘ ৰাজ্যক্ষেত্ৰ সমূহ - অনুচ্ছেদ ২৪০

[১][(খ) লাক্ষা দ্বীপ ;]

[২][(গ) দাদ্ৰা আৰু নগৰ হাৱেলী ;]

[৩][(ঘ) গোৱা, দমন আৰু দিউ;]

[৪][(ঙ) পণ্ডীচেৰী ;]

[৫][* * *

এই সংঘ ৰাজ্যক্ষেত্ৰ সমূহৰ শান্তি উন্নতি আৰু সুশাসনৰ বাবে বিনিয়ম প্ৰণয়ন কৰিব পাৰে ঃ

১। লাক্ষাদ্বীপ, মিনিকয় আৰু আমিনদীৱি দ্বীপপুঞ্জ (নাম সলনি) অধিনিয়ম, ১৯৭৩ ৰ (১৯৭৩ ৰ ৩৪) ধাৰা ৪ ৰ দ্বাৰা '(খ) লাক্ষাদ্বীপ, মিনিকয় আৰু আমিনদীৱি দ্বীপপুঞ্জৰ পৰিৱৰ্ত্তে প্ৰতিষ্ঠাপিত (১-১১-৭৩ তাংৰ পৰা)।

২। সংবিধান (দশম সংশোধন) অধিনিয়ম, ১৯৬১ ৰ ৩ ধাৰাৰ দ্বাৰা অন্তঃস্থাপিত।

৩। সংবিধান (দ্বাদশ সংশোধন) অধিনিয়ম, ১৯৬২ ৰ ৩ ধাৰাৰ দ্বাৰা অন্তঃস্থাপিত।

৪। সংবিধান (চতুৰ্দ্দশ সংশোধন) অধিনিয়ম, ১৯৬২ ৰ ৫ আৰু ৭ ধাৰাৰ দ্বাৰা অন্তঃস্থাপিত (১৬-৮-৬২ তাং ৰ পৰা)।

৫। সংবিধান (সপ্তবিংশ সংশোধন) অধিনিয়ম, ১৯৭১ ৰ ধাৰা ৪ ৰ দ্বাৰা (১৫-২-১৯৭২ ৰ পৰা প্ৰভাৱী হোৱাকৈ)। প্ৰবিষ্টি (চ) আৰু (ছ) ক অন্তঃস্থাপিত কৰা হৈছে আৰু ইয়াৰ মিজোৰাম ৰাজ্য আধিনিয়ম, ১৯৮৬ ৰ ৩৪) ৰ ধাৰা ৩৯ ৰ দ্বাৰা (২০-২-১৯৮৭ ৰ পৰা প্ৰভাৱী হোৱাকৈ) তথা অৰুণাচল প্ৰদেশ ৰাজ্য অধিনিয়ম, ১৯৮৬ (১৯৮৬ ৰ ৬৯) ৰ ধাৰা ৪২ ৰ দ্বাৰা (২০-২-১৯৮৭ ৰ পৰা প্ৰভাৱী হোৱাকৈ) ক্ৰমশঃলোপ কৰা হৈছে।

অষ্টম ভাগ-সংঘ ৰাজ্যক্ষেত্ৰ সমূহ - অনুচ্ছেদ ২৪০

[১][পৰন্তু, যেতিয়া গোৱা, [২][দমন দিউ, [৩][পণ্ডীচেৰী, মিজোৰাম বা অৰুণাচল প্ৰদেশ সংঘ ৰাজ্য ক্ষেত্ৰৰ বাবে বিধান মণ্ডল ৰূপে কৃত্য কৰিবলৈ অনুচ্ছেদ ২৩৯ ক ৰ অধীনত কোনো নিকায় সৃষ্টি কৰা হয়, তেতিয়া বিধান মণ্ডলৰ প্ৰথম অধিৱেশনৰ বাবে নিয়ত তাৰিখৰ পৰা ৰাষ্ট্ৰপতিয়ে সেই সংঘ ৰাজ্যক্ষেত্ৰৰ শান্তি, উন্নতি আৰু সুশাসনৰ বাবে কোনো বিনিয়ম প্ৰণয়ন নকৰিব।]

[২][অধিকন্তু, যেতিয়া গোৱা দমন আৰু দিউ [৩][পণ্ডীচেৰী, মিজোৰাম বা অৰুণাচল প্ৰদেশ] সংঘ ৰাজ্যক্ষেত্ৰৰ বাবে বিধান মণ্ডল ৰূপে কৃত্য কৰি থকা নিকায় বিঘটিত হয়, অথবা অনুচ্ছেদ ২৩৯ক ৰ খণ্ড (১) ত উল্লিখিত এনে কোনো বিধৰ অধীনত লোৱা কাৰ্য্য ব্যৱস্থাৰ ফলত সেই নিকায়ে তেনে বিধান মণ্ডল হিচাবে কৃত্য কৰাটো নিলম্বিত হৈ থাকে তেতিয়া ৰাষ্ট্ৰপতিয়ে এনে বিঘটনৰ বা নিলম্বনৰ কালছোৱাত সেই সংঘ ৰাজ্যক্ষেত্ৰৰ শান্তি, উন্নতি আৰু সুশাসনৰ বাবে বিনিয়ম কৰিব পাৰে।

(২) এনেদৰে প্ৰণয়ন কৰা যিকোনো বিনিয়মে সংসদৰ দ্বাৰা প্ৰণয়ন কৰা যিকোনো অধিনিয়মক বা [৪][আন যিকোনো বিধিক], যিবিলাক নেকি তত্ সময় সেই সংঘ ৰাজ্যক্ষেত্ৰত প্ৰযোজ্য থাকে তাক নিৰসন বা সংশোধন কৰিব পাৰে আৰু যেতিয়া ৰাষ্ট্ৰপতিৰ দ্বাৰা প্ৰখ্যাপিত হয় তেতিয়া তাৰ, সেই ৰাজ্যক্ষেত্ৰত প্ৰযুক্ত সংসদৰ কোনো অধিনিয়মৰ যি বল আৰু প্ৰভৱ থাকে সেই একেই বল আৰু প্ৰভাৱ হ'ব।

১। সংবিধান (চতুৰ্দ্দশ সংশোধন) অধিনিয়ম, ১৯৬২ ৰ ধাৰা ৫ ৰ দ্বাৰা অন্তঃস্থাপিত।

২। সংবিধান (সপ্তবিংশ সংশোধন) অধিনিয়ম, ১৯৭১ ৰ ধাৰা ৪ ৰ দ্বাৰা প্ৰতিষ্ঠাপিত (১৫-২-৭২ তাংৰ পৰা)।

৩। সংবিধান (সপ্তবিংশ সংশোধন) অধিনিয়ম, ১৯৭৫ ৰ ধাৰা ৩ ৰ দ্বাৰা " পণ্ডীচেৰী বা মিজোৰাম"ৰ পৰিৱৰ্ত্তে প্ৰতিষ্ঠাপিত।

৪। সংবিধান (সপ্তবিংশ সংশোধন) অধিনিয়ম, ১৯৭১ৰ ৪ ধাৰাৰ দ্বাৰা 'কোনো বিদ্যমান বিধি'ৰ পৰিবৰ্ত্তে প্ৰতিষ্ঠাপিত।

অষ্টম ভাগ-সংঘ ৰাজ্যক্ষেত্ৰ সমূহ - অনুচ্ছেদ ২৪১ - ২৪২

সংঘ ৰাজ্যক্ষেত্ৰ সমূহৰ কাৰণে উচ্চ ন্যায়ালয়।

২৪১।(১) সংসদে বিধিৰ দ্বাৰা কোনো [১][সংঘ ৰাজ্যক্ষেত্ৰ] কাৰণে উচ্চ ন্যায়ালয় গঠিত কৰিব পাৰে বা এই সংবিধানৰ সকলো বা যিকোনো প্ৰয়োজনৰ কাৰণে [২][তেনে কোনো ৰাজ্যক্ষেত্ৰত] থকা কোনো ন্যায়লয়ক উচ্চ ন্যায়লয় বুলি ঘোষণা কৰিব পাৰে।

(২) সংসদে বিধিৰ দ্বাৰা উপবন্ধিত কৰিব পৰা তেনেকুৱা সাল-সলনি বা ব্যতিক্ৰম সমূহৰ সাপেক্ষে ষষ্ঠ ভাগৰ পঞ্চম অধ্যায়ৰ উপবন্ধ সমূহ অনুচ্ছেদ ২৪১ত নিৰ্দ্দেশিত উচ্চ ন্যায়লয় সম্বন্ধে প্ৰয়োগ হোৱাৰ দৰে খণ্ড (১) ত নিৰ্দ্দেশিত প্ৰত্যেক উচ্চ ন্যায়ালয় সম্বন্ধেও প্ৰয়োগ হ'ব।

[৩][(৩) এই সংবিধানৰ উপবন্ধ সমূহ আৰু এই সংবিধানৰ দ্বাৰা বা অধীনত সমুচিত বিধান মণ্ডলক অৰ্পণ কৰা ক্ষমতাৰ আধাৰত সেই বিধান মণ্ডলৰ দ্বাৰা প্ৰণীত কোনো বিধিৰ উপবন্ধ সমূহৰ অধীনত সংবিধান (সপ্তম সংশোধন) অধিনিয়ম, ১৯৫৬ ৰ প্ৰাৰম্ভণিৰ ঠিক পূৰ্বে যিকোনো সংঘ ৰাজ্যক্ষেত্ৰৰ সম্বন্ধত ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰা প্ৰত্যেক উচ্চ ন্যায়ালয়ে এনে প্ৰাৰম্ভণিৰ পিচতো সেই ৰাজ্যক্ষেত্ৰৰ সম্বন্ধত এনে ক্ষেত্ৰাধিকাৰ প্ৰয়োগ কৰিয়েই থাকিব।

(৪) এই অনুচ্ছেদৰ কোনো কথাই কোনো ৰাজ্যৰ কোনো ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰক, কোনো সংঘ ৰাজ্যক্ষেত্ৰ বা তাৰ কোনো ভাগলৈ বিস্তাৰ কৰিবলৈ বা তাৰ পৰা বহিৰ্ভূত কৰিবলৈ সংসদৰ ক্ষমতাৰ অল্পীকৰণ নকৰিব।]

২৪২। (কূর্গ) সংবিধান (সপ্তম সংশোধন) অধিনিয়ম, ১৯৫৬ ৰ ২৯ ধাৰা আৰু অনুসূচীৰ দ্বাৰা নিৰসিত।

১। সংবিধান (সপ্তম সংশোধন) অধিনিয়ম, ১৯৫৬ ৰ ২৯ ধাৰা আৰু অনুসূচীৰ দ্বাৰা 'প্ৰথম অনুসূচীৰ গ ভাগত নিৰূপিত ৰাজ্যৰ' পৰিবৰ্ত্তে প্ৰতিষ্ঠাপিত।

২। উক্ত অধিনিয়মৰ ২৯ ধাৰা আৰু অনুসূচীৰ দ্বাৰা 'তেনে কোনো ৰাজ্যৰ' পৰিবৰ্ত্তে প্ৰতিষ্ঠাপিত।

৩। উক্ত অধিনিয়মৰ ২৯ ধাৰা আৰু অনুসূচীৰ দ্বাৰা মূল খণ্ড (৩) আৰু (৪) ৰ পৰিবৰ্ত্তে প্ৰতিষ্ঠাপিত।